**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 11-01-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***

***Headlines***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰীয় যুৱ দিৱস উপলক্ষে কাইলৈ নতুন দিল্লীত আয়োজিত বিকশিত ভাৰত যুৱ নেতা আলোচনাত তিনি হাজাৰ যুৱ নেতাৰ সৈতে মত বিনিময় কৰিব।

২। ২০২৪ বৰ্ষত ১৬ হাজাৰ ৯০০ কোটি টকাৰো অধিক মূল্যৰ মাদক দ্ৰব্য জব্দ কৰা হৈছে আৰু এয়া স্বাধীনতাৰ পাছত কোনো এটা বছৰত জব্দ কৰা মাদক দ্ৰব্যৰ সৰ্বাধিক পৰিমাণ বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰিছে।

৩। অসমৰ ডিমা হাছাও জিলাৰ উমৰাংছ'ৰ কয়লাখনিৰ পৰা আজি তিনিটা মৃতদেহ উদ্ধাৰ কৰা হয়।

৪। চলিত বছৰৰ হজ যাত্ৰাৰ বাবে বিভিন্ন ৰাজ্যৰ তিনি হাজাৰ ছশ ছয়সত্তৰজন আবেদনকাৰীক অস্থায়ীভিত্তিক অনুমতি দিয়া হৈছে। ***আৰু***

৫। ভাৰতৰ সাত্বিকসাইৰাজ ৰনকিৰেড্ডী আৰু ছিৰাগ ছেট্টীৰ যুটীটো মালয়েছিয়া অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰীয় যুৱ দিৱস উপলক্ষে কাইলৈ নতুন দিল্লীত বিকশিত ভাৰত যুৱ নেতা আলোচনাত তিনি হাজাৰ যুৱ নেতাৰ সৈতে মত বিনিময় কৰিব। এই অনুষ্ঠানত যুৱ নেতাসকলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিকশিত ভাৰত দৃষ্টিভংগী সন্দৰ্ভত উপস্থাপন দিব। এই উপলক্ষে শ্ৰী মোদীয়ে এটা জনসমাৱেশক উদ্দেশি ভাষণো দিব।

নতুন দিল্লীত অনুষ্ঠিত বিকশিত ভাৰত যুৱ নেতা আলোচনাৰ আজি প্ৰথম দিনা কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই কয়, যে ৰাজনীতিৰ সৈতে জড়িত নথকা এক লাখ যুৱক-যুৱতীক ৰাজনীতত চামিল কৰাৰ বাবে প্ৰধানমন্ত্ৰীয়ে জনোৱা আহ্বান অনুযায়ী এই আলোচনাৰ আয়োজন কৰা হৈছে। তেওঁ কয়, যে যুৱক-যুৱতীসকলৰ সৈতে আলাপ-আলোচনাৰ অন্তত চৰকাৰে বিভিন্ন বাৰ্ষিক নেতৃত্ব আৰু সমাজসেৱা অনুষ্ঠানৰ আয়োজন কৰিব। চৰকাৰে এনে অনুষ্ঠানৰ জৰিয়তে যুৱ প্ৰজন্মক ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্টীয় পৰ্যায়ৰ অভিজ্ঞতা আহৰণৰ সুযোগ প্ৰদান কৰিব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। ড০ মন্দাভিয়াই কয়, যে এই আলোচনাৰ মাধ্যমেৰে যুৱক-যুৱতীসকলে ভাৰতীয় মহাকাশ সংস্থা ইছ্'ৰ' অধ্যক্ষ এছ্ সোমনথ, বিশিষ্ট উদ্যোগপতি আনন্দ মহিন্দ্ৰা আৰু জি-টুৱেণ্টি ৰাষ্ট্ৰ গোষ্ঠীৰ প্ৰাক্তন শ্বেৰ্পা অমিতাভ কান্তৰ দৰে আগশাৰীৰ ব্যক্তিসকলৰ পৰা মাৰ্গ দৰ্শন লাভ কৰিছে।

০০০০০

২০২৪ বৰ্ষত ১৬ হাজাৰ ৯০০ কোটি টকাৰো অধিক মূল্যৰ মাদক দ্ৰব্য জব্দ কৰা হৈছে আৰু এয়া স্বাধীনতাৰ পাছত কোনো এটা বছৰত জব্দ কৰা মাদক দ্ৰব্যৰ সৰ্বাধিক পৰিমাণ বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰকাশ

কৰিছে। নতুন দিল্লীত আজি মাদক দ্ৰব্যৰ সৰবৰাহ আৰু ৰাষ্ট্ৰীয় সুৰক্ষা সম্পৰ্কীয় আঞ্চলিক সন্মিলনত অধ্যক্ষতা কৰি শ্ৰী শ্বাহে কয়, যে বিগত ১০ বছৰত প্ৰায় ২৪ লাখ কিলোগ্ৰাম মাদক দ্ৰব্য জব্দ কৰা হৈছে আৰু এই সময়ছোৱাত ৫৬ হাজাৰ ৮০০ কোটিৰো অধিক টকাৰ মাদকদ্ৰব্য বিনষ্ট কৰা হৈছে।

অনুষ্ঠানত কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে নিচাযুক্ত দ্ৰব্য বিনষ্টকৰণ পষেক আৰু দেশৰ সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চললৈ মানস-টু হেল্পলাইন সম্প্ৰসাৰণ কাৰ্য মুকলি কৰে। শ্ৰী শ্বাহে লগতে মাদকদ্ৰব্য নিয়ন্ত্ৰণ ব্যুৰোৰ ভূপাল আঞ্চলিক কেন্দ্ৰৰ নতুন কাৰ্যালয় চৌহদো মুকলি কৰে। মাদকদ্ৰব্য বিনষ্টকৰণ পষেক আজিৰে পৰা ২৫ জানুৱাৰীলৈ চলিব। এই সময়ছোৱাত দুহেজাৰ ৪১১ কোটি টকা বজাৰ মূল্যৰ মুঠ ৪৪ হাজাৰ ৭৯২ কিলোগ্ৰাম মাদকদ্ৰব্য বিনষ্ট কৰা হ'ব। শ্ৰী শ্বাহে কয়, যে এই পষেকে মাদক দ্ৰব্য সৰবৰাহৰ বিৰুদ্ধে জনসাধাৰণক এটা শক্তিশালী বাৰ্তা দিব। তেওঁ লগতে জনসাধাৰণৰ মাজত মানস হেল্পলাইনৰ প্ৰসাৰৰ বাবে কাম কৰিবলৈ ৰাজ্যসমূহৰ প্ৰতি আহ্বান জনায়।

০০০০০

অসমৰ ডিমা হাছাও জিলাৰ উমৰাংছ'ৰ  তিন কিল' কয়লাখনিৰ পৰা আজি দিনৰ ভাগত আৰু দুটা মৃতদেহ উদ্ধাৰ কৰাৰ পাছত ঘটনাস্থলীৰ পৰা উদ্ধাৰ হোৱা মৃতদেহৰ সংখ্যা ৪ লৈ বৃদ্ধি পাইছে। আমাৰ হাফলঙৰ সংবাদদাতা মনছুন সিঙে জনোৱা মতে দুপৰীয়াৰ ভাগত উদ্ধাৰ হোৱা মৃতদেহ কেইটাৰ এটা কোকৰাঝাৰ জিলাৰ ফকিৰাগ্ৰাম আৰক্ষী থানাৰ অন্তৰ্গত মাগেৰ গাওঁৰ ৫৭ বছৰীয়া খুশি মোহন ৰায় আৰু আনটো শোণিতপুৰ জিলাৰ পানবাৰী আৰক্ষী থানাৰ অন্তৰ্গত বাতাচীপুৰৰ ৩৭ বছৰীয়া সুৰক্ষাকৰ্মী শৰৎ গয়াৰী বুলি চিনাক্ত কৰা হৈছে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, আজি পুৱাৰ ভাগত উদ্ধাৰ হোৱা মৃতদেহটো উমৰাংছ'ৰ সমীপৰ কালা মাটিৰ লাইজান মগৰ নামৰ এজন ২৬ বছৰীয়া যুৱকৰ বুলি চিনাক্ত কৰা হৈছিল। এতিয়াও খনিটোৰ ধবসংস্তুপৰ মাজত আৱদ্ধ হৈ থকা আন ৫ টা মৃতদেহৰ সন্ধানত  নৌ সেনা বাহিনী, ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী, ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনী, ক'ল ইণ্ডিয়াৰ উদ্ধাৰকাৰী বাহিনী আৰু স্থানীয় সহায়কাৰী বাহিনীয়ে আজি ষষ্ঠ দিনাও উদ্ধাৰ অভিযান পূৰ্ণোদ্যমে চলাই আছে।

ইপিনে, লোকসভাত বিৰোধী দলৰ উপ দলপতি তথা কংগ্ৰেছৰ সাংসদ গৌৰৱ গগৈয়ে এই শোকাবহ ঘটনাৰ তদন্ত বিশেষ অনুসন্ধানকাৰী দলৰ দ্বাৰা কৰোৱাৰ বাবে দাবী জনাই প্ৰধানমন্ত্ৰীলৈ পত্ৰ প্ৰেৰণ কৰিছে। তেওঁ অনুসন্ধানকাৰী দলক অবৈধভাৱে কয়লা খননৰ এই ঘটনা পুংখানুপুংখ ৰূপত তদন্ত কৰাৰ উপৰি ঘটনাৰ সৈতে জড়িত অন্যান্য কাৰকসমূহো চালি জাৰি চোৱাৰ বাবে আহ্বান জনায়।

০০০০০

**চলিত বছৰৰ হজ যাত্ৰাৰ বাবে বিভিন্ন ৰাজ্যৰ তিনি হাজাৰ ছশ ছয়সত্তৰজন আৱেদনকাৰীক অস্থায়ীভিত্তিত অনুমতি দিয়া হৈছে। কেন্দ্ৰীয় হজ সমিটীয়ে আজি এইবাৰৰ হজৰ বাবে দ্বিতীয়খন অপেক্ষাৰ তালিকা প্ৰকাশ কৰে। সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে এই আৱেদনকাৰীসকলে অহা ২৩ জানুৱাৰীৰ পূৰ্বে হজৰ ধন ,দুইলাখ বাসত্তৰ হাজাৰ তিনিশ টকা  জমা দিব লাগিব। সমিতিয়ে লগতে এই সন্দৰ্ভত প্ৰয়োজনীয় নথি-পত্ৰ**

দাখিল কৰিবলৈ আবেদনকাৰীসকলক আহ্বান জনাইছে । কেন্দ্ৰীয় হজ সমিটীয়ে এইবাৰ হজ যাত্ৰা কৰিবলগীয়া এক লাখ বাইশ হাজাৰ যাত্ৰীক সুবিধা আগবঢ়াব।

ooooo

দেশত পৰীক্ষা আৰু সাক্ষাৎকাৰ অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত স্বচ্ছতা ৰক্ষা কৰা আৰু জনসাধাৰণৰ প্ৰতি জবাবদিহি হোৱাটোৱে যথেষ্ট নহয় বৰং এই প্ৰক্ৰিয়াসমূহ নিকা যেন লগাটোও অত্যন্ত প্ৰয়োজন ।উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে আজি বেংগালুৰুত ৰাজ্যিক লোকসেৱা আয়োগৰ অধ্যক্ষসকলৰ ২৫ সংখ্যক ৰাষ্ট্ৰীয় সন্মিলন উদ্বোধন কৰি এই মন্তব্য কৰে। তেওঁ কয় যে কাৰ্যপালিকাৰ প্ৰভাৱৰ পৰা মুক্ত তথা ব্যক্তিগত স্বাৰ্থ পূৰণ, স্বজনতোষণ আৰু পক্ষপাতিত্বৰ পৰা মুক্ত এখন স্বতন্ত্ৰ আয়োগ গঠন কৰাটো প্ৰাক্তন ৰাষ্ট্ৰপতি ৰাজেন্দ্ৰ প্ৰসাদৰ লক্ষ্য আছিল। উপ ৰাষ্ট্ৰপতিগৰাকীয়ে,একাংশ আমোলা আৰু ৰাজনীতিবিদৰ পত্নীয়ে উৎকৃষ্ট পদ লাভ কৰাৰ অসাধু পৰম্পৰাক লৈ উদ্বেগ প্ৰকাশ কৰে।তেওঁ অৱসৰৰ পাচতো নিযুক্তি আৰু চাকৰিৰ ম্যাদ বৃদ্ধিৰ দ্বাৰা এই সমস্যাৰ সমাধানৰ পোষকতা কৰে। তেওঁ নিযুক্তি প্ৰক্ৰিয়াৰ ব্যাপক পৰিৱৰ্তনৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। আগশাৰীৰ ৫০০ টা কোম্পানীয়ে যোগ্য প্ৰাৰ্থী বাছনিৰ বাবে উত্তম আৰু অত্যাধুনিক পদ্ধতিৰ ব্যৱহাৰ কৰে বুলি কৈ উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে এনে পৰিস্থিতিত চৰকাৰী নিযুক্তিদাতাসকল আওপুৰণি ব্যৱস্থা গ্ৰহণ কৰি পুৰণিকলীয়া হৈ থাকিব নোৱাৰে। প্ৰতিভা সন্ধানৰ উত্তম পদ্ধতিসমূহ বুজিবলৈ আৰু ৰাজ্যিক আয়োগসমূহে এনে পদ্ধতিৰ অনুকৰণ কৰিব পৰাকৈ ব্যক্তিগত খণ্ডৰ সৈতে প্ৰয়োজন হ'লে আলোচনা কৰিবলৈ তেওঁ পৰামৰ্শ আগবঢ়ায়। তেওঁ লোকসেৱা আয়োগসমূহক ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত সমন্বয় সাধন কৰিব পৰাকৈ একমাত্ৰ ঐক্যবদ্ধ নিযুক্তি কৰ্তৃপক্ষ হিচাপে প্ৰতিষ্ঠা কৰিবলৈ আহ্বান জনায়।

উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰত গঢ়ি তোলাৰ দৃষ্টিভংগীৰে কাম কৰিব পৰাকৈ স্বচ্ছ আৰু প্ৰযুক্তিগতভাৱে সমৃদ্ধ আমোলাতন্ত্ৰৰ পোষকতা কৰে।

ooooo

শ্ৰীলংকাত থকা ভাৰতীয় উচ্চ আয়োগে কলম্বোত প্ৰথমবাৰৰ বাবে ভাৰত-শ্ৰীলংকা অংশীদাৰিত্বমূলক উচ্চ পৰ্যায়ৰ ঘূৰণীয়া মেজমেলৰ আয়োজন কৰে। এই কাৰ্যসূচীত নীতি প্ৰনেতা, বিশেষজ্ঞ আৰু জনমত গঠনত আগভাগ লোৱা নেতাসকলে দ্বিপাক্ষিক সহযোগিতা বৃদ্ধিৰ উপায় সম্পৰ্কে অন্বেষণ কৰে। এই অনুষ্ঠানত ভূ-ৰাজনৈতিক বিষয়, ৰাজনৈতিক সম্পৰ্ক, পাৰস্পৰিক সুৰক্ষা আৰু সাংস্কৃতিক সমন্বয়কে ধৰি কেইবাটাও বিষয়ত আলোচনা

অনুষ্ঠিত হয়। বিশেষজ্ঞসকলে ভৌতিক যোগাযোগ, শক্তি, ডিজিটেল খণ্ড, বাণিজ্য আৰু বিনিয়োগৰ প্ৰসাৰ তথা ঋণ নিৰ্ভৰশীলতা অবিহনে বহনক্ষম উন্নয়ন বৃদ্ধিৰ কৌশল উদ্ভাৱনৰ উপায় সম্পৰ্কে আলোকপাত কৰে।

উচ্চায়ুক্ত সন্তোষ ঝায় প্ৰতিবেশী ৰাষ্ট্ৰ দুখনৰ বান্ধোন শক্তিশালী কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। খ্যাতনামা অৰ্থনীতিবিদ ড০ গণেশ উইগ্‌নাৰাজা সঞ্চালনা কৰা উচ্চ আয়োগৰ প্ৰতিনিধিসকল আৰু কেইবাগৰাকীও চিন্তাবিদে অংশগ্ৰহণ কৰে।

০০০০০

ভাৰতৰ সাত্বিকসাইৰাজ ৰনকিৰেড্ডী আৰু ছিৰাগ ছেট্টীৰ যুটীটো মালয়েছিয়া অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ  পৰা বাহিৰ হৈছে। ভাৰতীয় যুটীটো আজি কোৱালালপুৰত অনুষ্ঠিত পুৰুষৰ ডাবলছৰ ছেমিফাইনেলত দক্ষিণ কোৰিয়াৰ ছিঅ' ছ্যুংগ জি আৰু কিম ৰ'ন হোৰ হাতত ১০-২১, ১৫-২১ গেমত পৰাজিত হয়।

০০০০০

সমাপ্ত